**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 23-02-2026

**Time :** 1800 Hrs.

***Assamese Evening Bulletin***
**<u>HEADLINE</u>**

০০০০০

১।	ৰাজ্যৰ চাহ শ্ৰমিকসকলক ১৩ মাৰ্চৰ পৰা ভূমি পট্টা বিতৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২।	খানাপাৰাত কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ উপস্থিতিত বিভাগটোৰ কেইবাখনো আঁচনি উদ্বোধন।

৩।	সাংস্কৃতিক মন্ত্ৰী বিমল বৰাৰ টিংখাঙত সোণোৱাল কছাৰী সংগ্ৰহালয় আৰু সন্মিলন কেন্দ্ৰৰ আধাৰশিলা স্থাপন।

আৰু

৪।	৭৯ সংখ্যক ব্ৰিটিছ একাডেমী চলচ্চিত্ৰ বঁটা - বাফ্‌টাত মণিপুৰী ভাষাৰ হাস্যব্যঙ্গ ছবি বুঙলৈ শ্ৰেষ্ঠ শিশু আৰু পাৰিবাৰিক ছবিৰ শিতানত শ্ৰেষ্ঠ ছবিৰ বঁটা।

০০০০০০০

ৰাজ্যৰ চাহ শ্ৰমিকসকলক ১৩ মাৰ্চৰ পৰা ভূমি পট্টা বিতৰণ কৰাৰ লগতে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত গৃহ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰাত কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ উপস্থিতিত কেইবাখনো আঁচনি উদ্বোধনৰ পাছত সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে আজি এই শ্ৰমিকসকলক গৃহ প্ৰদানৰ বাবেও অনুমোদন জনাইছে। চাহ শ্ৰমিকসকলৰ সৰ্বাংগীন উন্নয়ন আৰু কল্যাণৰ বাবে এই পদক্ষেপ লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

-বাইট-

০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত এটা অনুষ্ঠানত কৃষি আৰু গ্ৰামোন্নয়ন বিভাগৰ কেইবাখনো আঁচনি উদ্বোধন কৰে। মন্ত্ৰীগৰাকীৰ উপস্থিতিত কৃষি বিভিাগৰ অধীনৰ মুখ্যমন্ত্ৰীৰ উৎকৰ্ষ যোজনাৰ জৰিয়তে ৫০০ কৃষক উৎপাদক সংস্থা আৰু কৃষক উৎপাদক কোম্পানীলৈ ১৫ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদানৰ শুভাৰম্ভ কৰা

হয়। তদুপৰি, ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান আৰু সমবেশী জীৱিকা অভিযানৰ অধীনত ১২০ কোটি টকাৰ আৰ্থিক সাহায্য প্ৰদানৰ শুভাৰম্ভ কৰা হয়। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ ১ লাখ হিতাধিকাৰীৰ আনুষ্ঠানিক গৃহ প্ৰৱেশ তথা কৃষি সাৰথি ডিজিটেল এপ মুকলি কৰা হয়।

এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীচৌহানে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত এহেজাৰ ৮১৯ কোটি ৯১ লাখ টকা আবণ্টন দিয়ে। এই ধনৰ জৰিয়তে এহেজাৰ ৫২২ কিলোমিটাৰ পথ আৰু ৬২খন দলং নিৰ্মাণ কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসো উপস্থিত থাকে। অনুষ্ঠানৰ পাছত  শ্ৰীচৌহানে সাংবাদিকৰ আগত এইদৰে কয়-

-বাইট-

০০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে আয়োজন কৰা ২০২৫-২৬ বৰ্ষৰ চৰচ মেলা আজি কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে কয় যে, সমগ্ৰ দেশতে ১০ কোটি মহিলা আত্ম-সহায়ক গোটৰ সৈতে জড়িত হৈ আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৭ চনৰ ভিতৰত ইয়াৰে ৩ কোটি মহিলাক লাখপতি কৰাৰ বাবে নিৰ্দেশ দিছিল। ২০২৫ চনতে এই লক্ষ্য অতিক্ৰম কৰা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অসমত ৯ লাখৰো অধিক মহিলা লাখপতি হৈছে বুলি তেওঁ কয়। অনুষ্ঠানত বিভাগীয় মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কয়, যে ২০২১ চনৰ ছাৰছ মেলাত ৪ কোটি ১৮ লাখ টকাৰ সামগ্ৰী বিক্ৰী হৈছিল। ২০২৪ চনত এই বিক্ৰী ১৯ কোটি টকালৈ বৃদ্ধি পায়। আজিৰ অনুষ্ঠানত সাংসদ বিজুলী কলিতা মেধি, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, অতুল বৰা, ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ উপৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে, কালিৰেপৰা অনুষ্ঠিত এই মেলাত গ্ৰাম্য উদ্যোগী, আত্মসহায়ক গোট আৰু থলুৱা শিল্পীসকলে নিৰ্মাণ কৰা সামগ্ৰী প্ৰদৰ্শন তথা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। এই মেলাত বিভিন্ন ৰাজ্যৰ ২৫০খনৰো অধিক বিপণীয়ে অংশ লৈছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ উপৰি মহাৰাষ্ট্ৰ, ছত্তিশগড়, গোৱা, ঝাৰখণ্ড, উত্তৰপ্ৰদেশ, উত্তৰাখণ্ড, পশ্চিমবংগ, পঞ্জাৱ, হাৰিয়ানাকে ধৰি কেইবাখনো ৰাজ্যৰ হস্তশিল্প  আৰু হস্ততাঁত সামগ্ৰী এই বিপণীসমূহত প্ৰদৰ্শন কৰা হৈছে। আজিৰেপৰা আটাইকেইটা দিনতে বিভিন্ন ক্ৰীড়া, পৰম্পৰাগত খেল, ফটোগ্ৰাফী, পুষ্পসজ্জা আৰু ৰন্ধন প্ৰকৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। তদুপৰি প্ৰতি সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। ৮ মাৰ্চত এই মেলাৰ সামৰণি পৰিব।

০০০০০

সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই আজি টিংখাঙত সোণোৱাল কছাৰী সংগ্ৰহালয় আৰু সন্মিলন কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰি ৰাজ্যৰ অন্যান্য জাতি-জনগোষ্ঠীৰ লগতে সোণোৱাল কছাৰীসকলৰ সৰ্বাঙ্গীন কল্যাণৰ বাবেও ৰাজ্য চৰকাৰ সদায় দায়বদ্ধ বুলি মন্তব্য কৰে। টিংখাং সমষ্টিৰ ন-খাটৰ নিগম পাঁচআলিত ১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰকল্পটো জনগোষ্ঠীটোৰ চহকী সংস্কৃতি আৰু পৰম্পৰাসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত বিশেষভাৱে তাৎপৰ্যপূৰ্ণ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসঙ্গত উল্লেখ কৰে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু দাঁতি কাষৰীয়া এলেকাত আজি গঁড়ৰ আক্ৰমণত দুজন লোক আহত হয়। ৰাষ্ট্ৰীয় উদ্যানখনৰ বাগৰি বনাঞ্চলত কৰ্তব্যৰত অৱস্থাত এজন গৃহৰক্ষী জোৱানক গঁড়ে আক্ৰমণ কৰে। একেদৰে, ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতি কাষৰীয়া হাতীখুলি চাহ বাগিছাৰ শ্ৰমিক লাইনত আন এজন লোকক গঁড়ে আক্ৰমণ কৰে। লোক দুজনক উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰা হৈছে। ইয়াৰ আগেয়ে যোৱা ১৫ ফেব্ৰুৱাৰীত কঁহৰা বনাঞ্চলত গঁড়ৰ আক্ৰমণত দুজন বনকৰ্মী আহত হৈছিল।

ooooo

লণ্ডনত অনুষ্ঠিত ৭৯ সংখ্যক ব্ৰিটিছ একাডেমী চলচ্চিত্ৰ বঁটা - বাফ্টাত মণিপুৰী ভাষাৰ হাস্যব্যঙ্গ ছবি **বুঙে** শ্ৰেষ্ঠ শিশু আৰু পাৰিবাৰিক ছবিৰ শিতানত শ্ৰেষ্ঠ ছবিৰ বঁটা লাভ কৰিছে। ভাৰতীয় চিনেমা, বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ ছবিৰ বাবে এই সন্মান গুৰুত্বপূৰ্ণ মাইলৰ খুটি হিচাপে বিবেচিত হৈছে। ফাৰহান আখটাৰৰ এক্সেল এণ্টাৰটেইনমেণ্টৰ প্ৰযোজিত **বুং** হৈছে লক্ষ্মীপ্ৰিয়া দেৱীৰ পৰিচালনাৰ প্ৰথমখন ছবি। শিশু অভিনেতা গুগুন কিপজেন আৰু বালা হিজামে অভিনয় কৰা এই মণিপুৰী ছবিখনে কেইবাখনো আন্তঃৰাষ্ট্ৰীয় ছবিক পাছ পেলাই এই বঁটা লাভ কৰে। বুং শব্দৰ অৰ্থ হৈছে মণিপুৰী ভাষাত সৰু ল'ৰা। ছবিখনত সামাজিক আৰু ৰাজনৈতিকভাৱে অস্থিৰ পৰিস্থিতিত এটা সৰু ল'ৰাৰ কাহিনীক চিত্ৰায়ন কৰা হৈছে। এক্সন থ্ৰিলাৰ **ৱান বেটল আফ্‌টাৰ এনাডাৰে** শ্ৰেষ্ঠ ছবিকে ধৰি ছটা বঁটা লাভ কৰিছে।

ooooo

অসম কলেজ শিক্ষক সংস্থাৰ আহ্বান মৰ্মে আজি ৰাজ্যৰ বিভিন্ন মহাবিদ্যালয়সমূহত পৰীক্ষা কেন্দ্ৰত শিক্ষক আৰু বৰ্হি নিৰীক্ষকক নিগৃহীত কৰা ঘটনাৰ তীব্ৰ বিৰোধিতা কৰি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়।

ধেমাজি জিলাৰ চিলাপথাৰৰ সমীপৱৰ্তী অকাজান জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শেহতীয়াকৈ উচ্চতৰ মাধ্যমিক পৰীক্ষাত নিয়োজিত বৰ্হি নিৰীক্ষক এজনক পৰীক্ষাগৃহত অসাধু উপায় অৱলম্বন কৰা ছাত্ৰৰ বিৰুদ্ধে স্থিতি লোৱাৰ পৰিপ্ৰেক্ষিতত নিৰ্মমভাৱে প্ৰহাৰ কৰা হয়। গুৰুতৰভাৱে আহত শিক্ষকজন বৰ্তমানো চিকিৎসাধীন হৈ আছে। ঘটনাৰ লগত জড়িত আনজন ব্যক্তিক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছে।

গুৱাহাটীৰ বি বৰুৱা মহাবিদ্যালয়ৰ শিক্ষক গোটে এই ঘটনাক তীব্ৰভাৱে গৰিহণা দি আজি মহাবিদ্যালয় চৌহদত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। একেদৰে ধেমাজিৰ ধেমাজি মহাবিদ্যালয়, চিটী কলেজ, মৰিধল মহাবিদ্যালয়, চিমেন চাপৰি মহাবিদ্যালয়, মাছখোৱা স্নাতক মহাবিদ্যালয়কে ধৰি বিভিন্ন উচ্চ শিক্ষানুষ্ঠানসমূহত শিক্ষক নিগ্ৰহৰ ঘটনাৰ তীব্ৰ প্ৰতিবাদ কৰা হয়।

ooooo

অসম-অৰুণাচল সীমা বিবাদ মীমাংসা দিশত শক্তিশালী পদক্ষেপ হিচাপে নামচাই ঘোষণাপত্ৰ স্বাক্ষৰিত হোৱাৰ পাছত দুয়োখন ৰাজ্যৰ মাজৰ প্ৰথমটো সীমাস্তম্ভ অৰুণাচলৰ পাক্কে কেচাং জিলাত স্থাপন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে সদৰি কৰি কয় যে এই পদক্ষেপে আন্তঃৰাজ্যিক সীমাৰ ক্ষেত্ৰত থকা দশকজোৱা অনিশ্চয়তাৰ অৱসান ঘটাব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অষ্টলক্ষ্মী উত্তৰ পূৰ্বাঞ্চল সংহত গোট হিচাপে উন্নয়নৰ দিশত অগ্ৰসৰ হৈছে বুলি তেওঁ

কয়। এই ক্ষেত্ৰত সমৰ্থন আগবঢ়োৱাৰ বাবে তেওঁ অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খান্দুৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০

সমাপ্ত